**কৃষক ৰাইজলৈ গোহাৰি**

আমাৰ এই 'ঘৰে - পথাৰে' পত্ৰিকাখনিৰ ই-সংস্কৰণ মুকলি কৰা হৈছে। গতিকে কৃষক ৰাইজে আমাৰ ৱেব চাইট www.aau.ac.in লগ অন কৰি 'ঘৰে-পথাৰেৰ' ই-সংস্কৰণৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

মুখ্য সম্পাদক
'ঘৰে-পথাৰে'
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট



# ঘৰে-পথাৰে

পষেকীয়া কৃষি পত্ৰিকা

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট


**এই সংখ্যাত আছে -**


| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ লেটব্লাইট - আলুখেতিৰ .. | ২ |
| ☐ কণীধান ঃ পুষ্টি সমৃদ্ধ তথা... | ২ |
| ☐ আমাৰ একাষাৰ .. .. .. | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. .. | ৩ |
| ☐ আগতীয়া ৰোৱা আহুধানৰ .. | ৩ |



☐ ৪৪ তম্ বছৰ ☐ সংখ্যা ১ ☐ ১ জানুৱাৰী, ২০২৩ ☐ ১৬ - ৩০ পুহ ১৯৪৪ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06


## কৃষি শিক্ষা, গৱেষণা আৰু সম্প্ৰসাৰণৰ দিশত অসম কৃষি বিশ্ববিদ্যালয়ৰ বৃহৎ সাফল্য

পশুপালন আৰু পশুচিকিৎসা বিজ্ঞান তথা ইয়াৰ আনুসংগিক দিশত দীৰ্ঘদিনীয়া গৱেষণা আৰু পৰিকল্পনাৰে দেশৰ পশুপালন খণ্ডৰ লগত জড়িত সকলৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণৰ দিশত অসমলৈ আহিছে বৃহৎ সফলতা। ৰাজ্যখনৰ একমাত্ৰ কৃষি শিক্ষা, গৱেষণা আৰু সম্প্ৰসাৰণৰ উচ্চ শিক্ষানুষ্ঠান অসম কৃষি বিশ্ববিদ্যালয়ে পশুপালন ক্ষেত্ৰৰ দিশত লাভ কৰা সফলতাই আশাৰ বতৰা কঢ়িয়াইছে ৰাজ্যখনলৈ। অসমীয়া থলুৱা কুকুৰাৰ মাংসৰ পৰা মূল্য সংযোজিত খাদ্য সামগ্ৰী, অসম তথা দেশৰ প্ৰান্তীয় কৃষকে পশু ৰোগৰ ক্ষেত্ৰত লাভ কৰা অসুবিধা নাইকীয়া কৰাৰ বাবে নতুন ঔষধ, কুকুৰ তথা পোহনীয়া জন্তুৰ বাবে বিশেষ খাদ্য আৰু হাঁহ-কুকুৰাৰ নিউকেষ্টল ৰোগৰ থাৰ্মোষ্টেবল ভেকচিন উদ্ভাৱন কৰি ঈৰ্ষণীয় সফলতা লাভ কৰিছে বিশ্ববিদ্যালয়খনে। এই সফলতাৰ পিছত ২০২৩ বৰ্ষৰ আৰম্ভণিৰ পৰা আটাইকেইবিধ প্ৰযুক্তিৰে বাণিজ্যিক উৎপাদনৰ বাবে ভিন্ন উৎপাদক প্ৰতিষ্ঠান আৰু কোম্পানীৰ সৈতে চাৰিখন বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই এই বিষয়ে প্ৰকাশ কৰি কয় যে অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত খানাপাৰা পশুচিকিৎসা বিজ্ঞান মহাবিধ্যালয়ৰ গৱেষকসকলে লাভ কৰা এই সফলতাই অসমৰ পশুপালন আৰু পশুচিকিৎসাৰ দিশত বৈপ্লৱিক পৰিৱৰ্তন আনিব বুলি আশা কৰিছো। উল্লেখ্য যে এএইউ ভেট চিকেন পাউদাৰ নামৰ কুকুৰাৰ মাংসৰ পৰা বিশেষভাৱে প্ৰস্তুত কৰা পাউদাৰবিধ ব্যৱহাৰ কৰি বিভিন্ন প্ৰকাৰৰ মূল্য সংযোজিত খাদ্য সামগ্ৰী প্ৰস্তুত কৰিব পৰা যাব। প্ৰয়োজন অনুসৰি এই পাউদাৰ বিভিন্ন মাত্ৰাত যোগ কৰি ভূজিয়া, বিস্কুট, চুপ, চাট্‌নি, শিশুৰ খাদ্য, ৰোগীয়া আৰু গৰ্ভৱতী মহিলাৰ বাবে পুষ্টিকৰ খাদ্য তৈয়াৰ কৰিব পৰাকৈ প্ৰস্তুত কৰা হৈছে। তদুপৰি ইয়াৰ আটাইতকৈ সুবিধাজনক দিশ হ'ল যে ইয়াক সংৰক্ষণ কৰি ৰাখিবৰ বাবে শীতলীকৰণ ব্যৱস্থাৰ প্ৰয়োজন নাই। সাধাৰণ বায়ু প্ৰতিৰোধী পেকেট অথবা পাত্ৰত দুমাহৰ বাবে আৰু ভেকুৱাম পেকেজিং কৰি প্ৰায় ছমাহলৈ ইয়াক সংৰক্ষণ কৰি ৰাখি প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিব পৰা যাব। আনহাতে এএইউ মাস্ব নামৰ পশু ৰোগৰ ঔষধবিধৰ জৰিয়তে সংগঠিত পামত বা প্ৰান্তীয় কৃষকে নিমাটোড পৰজীৱীৰ দ্বাৰা আক্ৰান্ত হৈ হোৱা পশু ৰোগৰ পৰা সকাহ পাব। ফলত মাংস আৰু ঊল উদ্যোগৰ উৎপাদন হ্ৰাসৰ ক্ষেত্ৰত গধুৰ অৰ্থনৈতিক ক্ষতিৰ সম্ভাৱনাও নাইকীয়া হৈ অৰ্থনৈতিকভাৱে অধিক লাভান্বিত হ'ব পশুপালক আৰু কৃষি উদ্যোগী। এএইউ ভেট ডগ লোফ নামৰ মূলতঃ কুকুৰৰ বাবে প্ৰস্তুত খাদ্যবিধে পোহনীয়া জীৱ-জন্তুবোৰক অনুকুল পুষ্টি প্ৰদান কৰিব। হাঁহ-কুকুৰাৰ নিউকেষ্টল ৰোগৰ বিৰুদ্ধে উদ্ভাৱন কৰা থাৰ্মোষ্টেবল ভেকচিনে হাঁহ-কুকুৰাৰ ৰোগ নিৰাময়ত দেশৰ পশুপালন খণ্ডকেই উজ্জীৱিত কৰিব বুলি আশা কৰা হৈছে। এই ভেকচিনটো পুনেৰ ভেণ্টি বায়'লজিকেলচ্ প্ৰাইভেট লিমিটেডৰ জৰিয়তে মূল্যায়ণ বাণিজ্যিকীকৰণৰ দিশত আগবাঢ়িছে। বিশ্ববিদ্যালয়ৰ সামূহিক বিজ্ঞান মহাবিদ্যালয়ে দীৰ্ঘদিনীয়া গৱেষণাৰে মুগা বস্ত্ৰৰ আৰু খাদ্য সংসাধনৰ দিশত সাফল্য অৰ্জন কৰে। আনহাতে সামগিকভাৱে কৃষি আৰু আনুসংগিক ক্ষেত্ৰত বিশ্ববিদ্যালয়খনে ২০২২ বৰ্ষত ২২ খন বুজাবুজি চুক্তি স্বাক্ষৰ কৰে। ইয়াৰ ভিতৰত ভাৰত চৰকাৰৰ কৃষি তথা ইয়াৰ লগত জড়িত মন্ত্ৰালয়ৰ লগত স্বাক্ষৰিত ৯ খন চুক্তি অন্যতম। আনহাতে ২০২২ বৰ্ষতে অসমীয়াৰ স্বভিমান গামোচাৰ ভৌগোলিক সূচাংক লাভৰ ক্ষেত্ৰত অংশীদাৰ হৈ বিশ্ববিদ্যালয়খনে অসমবাসীক গৌৰৱান্বিত কৰে। শিক্ষাৰ দিশত মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন,


*(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)*


## ৰাষ্ট্ৰীয় কাঠফুলা দিৱস উদ্‌যাপন

যোৱা ২৩ ডিচেম্বৰ তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ কাঠফুলা গৱেষণা প্ৰকল্পৰ দ্বাৰা উত্তৰ-পশ্চিম যোৰহাটৰ বাঁহফলা অঞ্চলত ৰাষ্ট্ৰীয় কাঠফুলা দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি কাঠফুলা খেতিৰ উৎপাদন পদ্ধতি তথা কাঠফুলাৰ মূল্য সংযোজনৰ ওপৰত এক প্ৰশিক্ষণৰো আয়োজন কৰা হয়। এই প্ৰশিক্ষণত ১৩০ গৰাকী কৃষক তথা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মিচিং স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য পুৰুযোত্তম দলে বিশেষ আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে। এই অনুস্থানত অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগী কৃষি গৱেষণা সঞ্চালক ড° মৃণাল শইকীয়া, উদ্ভিদ ৰোগ বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক ড° পলাশ দেৱনাথ, উদ্ভিদ ৰোগ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দিলীপ কুমাৰ শৰ্মা, অসম কৃষি বিশ্ববিদ্যালয়ৰ কাঠফুলা বিশেষজ্ঞ অপূৰ্ব দাস আৰু অসম চৰকাৰৰ কৃষি উন্নয়ন বিষয়া হৃষিকেশ হাজৰিকা সমল ব্যক্তিৰূপে উপস্থিত থাকি কাঠফুলা খেতিৰ বিষয়ে বিতংভাৱে আলোচনা আগবঢ়ায়।



## অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বজাৰ তথ্য সূচনা কেন্দ্ৰৰ সাফল্য

অসমৰ কৃষকসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে উচিত মূল্য আৰু বজাৰৰ সবিশেষ খবৰ দি অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বজাৰ তথ্য সূচনা কেন্দ্ৰই কৃষক ৰাইজক উপকৃত কৰিবলৈ সক্ষম হৈছে। বিশ্ব বেংকৰ অধীনৰ প্ৰকল্পৰ এই কেন্দ্ৰৰ অধীনত অসমৰ ১৬ খন জিলাৰ ৫৭ খন পাইকাৰী বজাৰত উপলব্ধ ২২ বিধ কৃষি সামগ্ৰীৰ মূল্য আৰু পৰিমাণ দৈনিক সংগ্ৰহ কৰা হৈ আছে আৰু এই তথ্য জিলাসমূহৰ অধীনৰ কৃষি বিজ্ঞান কেন্দ্ৰ, জিলা কৃষি বিষয়াৰ কাৰ্যালয় আৰু নিৰ্বাচিত বজাৰত ব্লেকব'ৰ্ডত লিখি ৰাখি কৃষকক ঠাইতে তথ্য দিবলৈ সক্ষম হৈছে। তদুপৰি এই তথ্যবোৰ www.amiuaau.in নামৰ ৱেবছাইটৰ জৰিয়তে প্ৰকাশ কৰি থকা হৈছে। আইআইটি, গুৱাহাটীযে উদ্ভাৱন কৰা ভইচ ৰিকগনিশ্বন ছিষ্টেমৰ জৰিয়তে এই তথ্যসমূহ কৃষক তথা ব্যৱসায়ীসকলে তেওঁলোকৰ ম'বাইলৰ জৰিয়তে পাব পৰাৰ ব্যৱস্থাও কৰা হৈছে। কেন্দ্ৰটোৰ কাৰ্যপ্ৰণালীৰ সম্পৰ্কত জানিবলৈ দি কেন্দ্ৰটোৰ মূৰব্বী তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি আৰু পাম পৰিচালনা বিভাগৰ মূৰব্বী ড° নিবেদিতা ডেকাই কয় যে ভৱিষ্যতে কৃষকৰ সহায় হ'ব পৰাকৈ কৃষি সামগ্ৰীৰ মূল্য আগতীয়াকৈ বিশ্লেষণ কৰি প্ৰকাশ কৰা হ'ব যাতে কৃষকে কেনেধৰণৰ শস্য কৰিলে তেওঁলোকে সঠিক মূল্য পাব তাৰ আভাস পাব পাৰে। এই প্ৰকল্পৰ জৰিয়তে ইতিমধ্যে যোৰহাট, গোলাঘাট, দৰং জিলাত শতাধিক কৃষক আৰু কৃষি উৎপাদক গোটক কৃষি বজাৰ তথ্যৰ ওপৰত সজাগতামূলক প্ৰশিক্ষণ দিয়া হৈছে। লগতে কৃষক ব্যৱসায়ী আৰু ক্ষেত্ৰ তথ্য সংগ্ৰাহকৰ ম'বাইল ৱাট্‌ছএপ্ গ্ৰুপৰ যোগেদিও বজাৰৰ তথ্য আদান-প্ৰদান হৈ আছে। এই প্ৰকল্পৰ যোগেদি কৃষকসকল উপকৃত হ'ব বুলি আশা কৰা হৈছে।




### অসম কৃষি বিশ্ববিদ্যালয়ত
## জৈৱ প্ৰযুক্তিৰ সপ্তাহজোৰা প্ৰশিক্ষণ

অসম কৃষি বিশ্ববিদ্যালয়ৰ জৈৱ প্ৰযুক্তি বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ জৈৱ প্ৰযুক্তি আৰু আনুষংগিক বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক ধাৰাবাহিক প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। এইপ্ৰশিক্ষণত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে হাতে-কামে কৰা পাৰমাণৱিক জীৱবিজ্ঞানৰ পৰীক্ষাসমূহ শিকিব পাৰিব, যিবোৰ প্ৰায়ে ব্যৱহাৰিক নহয়। যোৱা ২০ ডিচেম্বৰৰ পৰা ৫ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কৰ্মশালাখন উদ্বোধন কৰে কৃষি বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই। বিভাগীয় মূৰব্বী ড° মহেন্দ্ৰ কুমাৰ মোদীয়ে আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° প্ৰদীপ চন্দ্ৰ ডেকাই কয় যে শৈক্ষিক সফলতাৰ পথত কঠোৰ অনুশীলন আৰু অধ্যয়নৰ কোনো বিকল্প নাই। উত্তৰ-পূব জৈৱ প্ৰযুক্তি কেন্দ্ৰৰ সঞ্চালক ড° বিদ্যুৎ কুমাৰ শৰ্মাই যোৱা কেইবছৰমানৰ পৰা জৈৱপ্ৰযুক্তি খণ্ডৰ অসাধাৰণ বৃদ্ধিৰ বিষয়ে অংশগ্ৰহণকাৰীসকলক অৱগত কৰে। ড° সুমিতা আচাৰ্যৰ ব্যৱস্থাপনাত আৰু বিভাগটোৰ অন্যান্য অধ্যাপিকা আৰু


*(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)*

# লেটব্লাইট - আলুখেতিৰ প্ৰধান অন্তৰায়

আলুখেতিৰ এক জ্বলন্ত সমস্যা হ'ল 'লেটব্লাইট' বেমাৰ। এবাৰ যদি এই বেমাৰে আক্ৰমণ কৰে তেনেক্ষেত্ৰত আলুখেতিডৰা ৰক্ষা কৰাটো খুব কঠিন হৈ পৰে। আলু গছৰ ওপৰত লেটব্লাইটৰ আক্ৰমণৰ বুৰঞ্জী অতি পুৰণি। গছ-গছনিৰ বেমাৰ-আজাৰৰ ওপৰত কৰা প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰায় আৰম্ভণি অৱস্থাৰ পৰাই আলুখেতিত লেটব্লাইটৰ আক্ৰমণ পৰিদৃশ্যমান। আজিলৈকে বহু অধ্যয়ন, বহুখিনি পৰীক্ষা-নিৰীক্ষাৰ অন্তত এই ৰোগবিধ প্ৰতিৰোধ কৰাত বিভিন্ন কৌশল উদ্ভাৱন কৰাৰ সম্ভৱ হৈছে।

দক্ষিণ আমেৰিকাক আলুগুটিৰ জন্মস্থান চিহ্নিত কৰা হৈছে। অতীজতে দক্ষিণ আমেৰিকাত উৎপন্ন হোৱা আলুগুটি উত্তৰ আমেৰিকা তথা ইউৰোপৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰা হৈছিল। কিন্তু আৰম্ভণি অৱস্থাত এই বেমাৰৰ প্ৰাবল্য কম আছিল হেতুকে ৰপ্তানিকৃত শস্যৰ লগত এই বেমাৰ বিয়পি যোৱাৰ সম্ভাৱনাও যথেষ্ট কম আছিল। তদুপৰি সেইসময়ত যাতায়তৰ সুচল অৱস্থা নথকাত দক্ষিণ আমেৰিকাৰ পৰা আলুগুটি আহি ইউৰোপ পাওতে যথেষ্ট সময় লাগিছিল। ফলস্বৰূপে বিষুবীয় অঞ্চলৰ উচ্চ উষ্ণতাত দীৰ্ঘদিন ধৰি এই ৰোগৰ বীজাণু বৰ্ত্তী থাকিব পৰা নাছিল। সময়ৰ লগে লগে যাতায়ত ব্যৱস্থা উন্নত হোৱাৰ লগে লগে অতি সহজে কম সময়ৰ ভিতৰতে উৎপাদিত সামগ্ৰী এখন দেশৰ পৰা আনদেশলৈ ৰপ্তানি কৰিব পৰা হ'ল আৰু তাৰ লগে লগে বেমাৰৰ বীজাণু বিস্তাৰিত হোৱাত সহায়ক হ'ল। যাৰ ফলত অতি কম দিনতে আলুগছৰ লেটব্লাইট বেমাৰ সমগ্ৰ ইউৰোপত বিয়পি পৰে। এই বেমাৰৰ ভয়াবহতাৰ এক জ্বলন্ত উদাহৰণ হ'ল - 'আইৰিচ দুৰ্ভিক্ষ' (১৮৪৫-৪৬)। আয়াৰলেণ্ডবাসীৰ মূল খাদ্য হৈছে আলু। এই ৰোগৰ আক্ৰমণত আলু খেতি উচ্ছন্ন হোৱাত আয়াৰলেণ্ডত সেই সময়ৰ ৪ মিলিয়ন জনসংখ্যাৰ অধিক সংখ্যক লোক দুৰ্ভিক্ষৰ কবলত পৰিছিল।

ভাৰতবৰ্ষত ১৮৭০-৮০ চনৰ ভিতৰত এই ৰোগ পোন প্ৰথমবাৰৰ বাবে নীলগিৰি পৰ্বতত (তামিলনাডু) দেখা দিয়ে। আমাৰ অসমত ১৯০১-০২ চনত লেটব্লাইট ৰোগে দেখা দিয়ে যদিও আলুখেতিৰ বিশেষ অনিষ্ট কৰিব পৰা নাছিল। কিন্তু ইয়াৰ পিছতে ১৯১২-১৩ চনত যোৰহাট অঞ্চলত প্ৰথমবাৰৰ বাবে এক ডাঙৰ সমস্যাৰূপে আত্মপ্ৰকাশ কৰে আৰু ক্ৰমাগতভাৱে আলুখেতি কৰা সকলো অঞ্চললৈকে এই ৰোগ বিয়পি পৰে। বৰ্ত্তমান আমাৰ ৰাজ্যখনতো আলুখেতিৰ প্ৰধান অন্তৰায় হ'ল লেটব্লাইট।

বতৰৰ লগত এই ৰোগৰ ওতঃপ্ৰোতঃ সম্বন্ধ। বতৰ ডাৱৰীয়া বা অতি পাতলীয়া বৰষুণ (০.১ মিঃমিঃ বা অলপ বেছি) নিশাৰ উষ্ণতা ১০°চেঃ ওচৰা ওচৰি আৰু বায়ুমণ্ডলৰ আপেক্ষিক আৰ্দ্ৰতাৰ পৰিমাণ ৯০ শতাংশতকৈ অধিক হ'লে লেটব্লাইট বেমাৰৰ বীজাণুৰ পৰিবৰ্দ্ধন ও সংক্ৰমণ অধিক হয়।

**ৰোগৰ লক্ষণ ঃ** ডিচেম্বৰ - জানুৱাৰী মাহত সাধাৰণতে এই ৰোগে দেখা দিয়ে। প্ৰথম অৱস্থাত এই ৰোগ গছৰ পাতত সীমাবদ্ধ থাকে। গছৰ তলৰ ভাগৰ পাতৰ আগ বা দাতিত কিছুমান মুগাবৰণীয়া পাতল দাগৰ সৃষ্টি হয়। দাগবোৰ ক্ৰমে ডাঠ ক'লা ৰঙৰ হৈ পচি যোৱা যেন হয় আৰু গোটেই পাতখিলালৈ বিয়পি পৰে। আক্ৰান্ত পাতৰ তলফালেও বগা বীজাণুবোৰ দেখা পোৱা যায়। প্ৰতিকুল বতৰত এই ৰোগ দাতি-কাষৰীয়া সুস্থ সৱল গছবোৰতো অতি সোনকালেই বিয়পি পৰে। ২-৩ দিনৰ ভিতৰতে সমগ্ৰ আলুখেতিডৰা আক্ৰান্ত হৈ মৰি যায়। আক্ৰান্ত গছৰ আলুবোৰতো ক'লা-মুগা বৰণীয়া ডাগৰ উৎপত্তি হয় আৰু ক্ৰমান্বয়ে আলুবোৰ পচি যায়।

এই বেমাৰৰ বীজাণুবিধ অবতৰত আক্ৰান্ত আলুৰ গাতে জীয়াই থাকে। এই আক্ৰান্ত আলুবোৰ যদি পিছৰ বছৰত আলুখেতি কৰিবলৈ গুটি হিচাপে ব্যৱহাৰ কৰা হয় তেন্তে পিছৰ বছৰৰ বাবে এই আক্ৰান্ত আলুটিবোৰে লেটব্লাইটৰ উৎস হিচাপে পৰিগণিত হয়। আলু ফাটি যেতিয়া গজালি ওলায়, তেনে সময়তে এই বীজাণুৰ শাখা-প্ৰশাখাবোৰ আলুৰ কোষৰ লগত সমান্তৰালকৈ বাঢ়ি যায় আৰু ক্ৰমে ক্ৰমে ডালৰ মাজেৰে গৈ পাতত আক্ৰমণ কৰে।

**লেটব্লাইটৰ প্ৰতিকাৰ ঃ**

১) এই বেমাৰৰ পৰা পৰিত্ৰাণ পাবলৈ খেতিয়ক ৰাইজে লেটব্লাইট ৰোগ প্ৰতিৰোধ কৰিব পৰা জাত ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়। এনে কিছুমান জাত হ'ল - কুফ্ৰি মেঘা, কুফ্ৰি জ্যোতি, কুফ্ৰি বাদছাহ, কুফ্ৰি অশোকা ইত্যাদি।

২) বেমাৰে আক্ৰমণ কৰাৰ আগতেই প্ৰতিষেধক ব্যৱস্থা লোৱাটো অতি প্ৰয়োজনীয়। ডিচেম্বৰৰ পৰা ফেব্ৰুৱাৰীলৈকে অৰ্থাৎ আলুৰ বয়স ৭০ দিনমান হোৱালৈকে ১০-১২ দিনৰ অন্তৰে অন্তৰে ইন্দোফিল এম ৪৫ নামৰ দৰৱবিধ প্ৰতি লিটাৰ পানীত ২ গ্ৰাম হিচাপে গুলি সম্পূৰ্ণ গছজোপা পাতৰ তলে ওপৰে তিতি যোৱাকৈ স্প্ৰে কৰিব লাগে। তাৰ ঠিক ৭-১০ দিনৰ পাছত ডাইথেন এম ৪৫ নামৰ দৰৱবিধৰ ২.৫ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে। মুঠতে এই দুইবিধ দৰৱ সলনা সলনিকৈ স্প্ৰে কৰি সুফল পাব পাৰি।

৩) আলুৰ গুৰিত মাটি চপাই দিয়াৰ সময়তে ঢাপবোৰ যথেষ্ট ওখ কৰি দিব লাগে যাতে গুটিবোৰ মাটিৰ ওপৰত ওলাই নাথাকে আৰু ৰোগৰ বিস্তাৰত বাধাপ্ৰাপ্ত হয়।

৪) শতকৰা ১ ভাগ বৰডো মিশ্ৰণ স্প্ৰে

*(৪ পৃষ্ঠাৰ ২ কলমত চাওক)*

# কণীধান ঃ পুষ্টি সমৃদ্ধ তথা ৰোগ প্ৰতিৰোধী এক শস্য

কণীধান অথবা বাজৰা, যাক এতিয়া 'পুষ্টিশস্য' অথবা 'অতি খাদ্য' নামেৰে অভিহিত কৰা হৈছে, এটা সামূহিক শব্দ যিয়ে, সৰু সৰু বীজ উৎপাদনকাৰী, এক বৰ্ষীয় ঘাঁহজাতীয় শস্যৰ গোট এটাক বুজায়। এই শস্যৰ গুৰুত্ব উপলব্ধি কৰি ২০১৮ৰ বছৰটো ভাৰত চৰকাৰে কণীধানৰ 'ৰাষ্ট্ৰীয় বৰ্ষ' হিচাবে পালন কৰিছিল আৰু ইয়াৰ সমান্তৰালকৈ ভাৰত চৰকাৰে কণীধানক পুষ্টি-শস্য হিচাবে ঘোষণা কৰি ৰাষ্ট্ৰীয় পোষণ মিছনত এই শস্যসমূহক অৰ্ন্তভুক্ত কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত ভাৰত চৰকাৰে ২০১৩ বৰ্ষটো 'আন্তঃৰাষ্ট্ৰীয় কণীধান বৰ্ষ' হিচাবে ঘোষণা কৰাৰ বাবে ৰাষ্ট্ৰসংঘলৈ এক প্ৰস্তাৱ আগবঢ়ায়। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত আন ৭২ খন বিভিন্ন সদস্য ৰাষ্ট্ৰৰ সমৰ্থনত ৰাষ্ট্ৰসংঘই ভাৰতৰ প্ৰস্তাৱক সমৰ্থন জনায় আৰু ২০২৩ বৰ্ষটো আন্তঃৰাষ্ট্ৰীয় কণীধান বৰ্ষ হিচাবে উদযাপন কৰিব বুলি ঘোষণা কৰে।

ৰাষ্ট্ৰসংঘৰ এই ঘোষণাই স্বাভাৱিকতে বিশ্বৰ মুঠ উৎপাদনৰ ২০ শতাংশ আৰু এচীয়া মহাদেশৰ ৮০ শতাংশ পৰিমাণৰ কণীধান উৎপাদন কৰা ভাৰতীয় কৃষক সমাজক উৎফুল্লিত কৰি তুলিছে। খাদ্য আৰু কৃষি সংস্থাৰ এক বাৰ্তা অনুসৰি ২০২৩ বৰ্ষটোত খাদ্য সুৰক্ষা আৰু পৰিপুষ্টিৰ ক্ষেত্ৰত কণীধানৰ গুৰুত্ব সম্পৰ্কে ৰাইজৰ মাজত সচেতনতা তথা সজাগতা বৃদ্ধি কৰা আৰু এইবিধ শস্যৰ বাবে কৰিবলগীয়া গৱেষণা আৰু উন্নয়নৰ বাবে বিনিয়োগকাৰীক প্ৰভাৱিত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

আমাৰ দেশত খ্ৰীষ্টপূৰ্ব ৪৫০০ বছৰৰ আগৰে পৰা কণীধানৰ খেতি কৰাৰ তথ্য আছে। তথ্য অনুসৰি আজিৰ পৰা প্ৰায় পঞ্চাচ বছৰ আগলৈকে এইবিধ শস্য ভাৰতীয় মূল খাদ্যশস্যৰ তালিকাৰ অৰ্ন্তভুক্ত আছিল আৰু প্ৰায় ৪০ শতাংশ অংশীদাৰত্বৰে এইবিধ খেতিয়ে ধান অথবা ঘেঁহুৰ তুলনাত দেশৰ খাদ্যভাণ্ডাৰত অধিক বৰঙণি আগবঢ়াইছিল। কিন্তু কালক্ৰমত আমাৰ বেছিভাগ মানুহৰে পৰিশোধিত খাদ্যৰ প্ৰতি বাঢ়ি অহা দুৰ্বলতাৰ বাবে কণীধান শস্যসমূহক মোটা শস্য বুলি খাদ্য তালিকাৰ পৰা বাদ দিলে। বৰ্তমানৰ জলবায়ু পৰিৱৰ্তনৰ বাবে সৃষ্টি হোৱা বিভিন্ন প্ৰতিকুলতাক নেওচিব পৰা গুণৰ বাবে আৰু খাদ্যত নিহিত হৈ থকা পুষ্টিৰ দিশৰ পৰা ইয়াক পুষ্টিশস্য হিচাবে চিহ্নিত কৰাৰ পাছৰে পৰা এতিয়া স্বাস্থ্য সচেতন লোকসকলৰ ৰান্ধনিশালত এইবিধ শস্যই পুনৰ স্থান পাবলৈ সক্ষম হৈছে।

কণীধান জাতীয় শস্য কাৰ্বহাইড্ৰেট, প্ৰট্ৰিন, আঁহ জাতীয় পদাৰ্থ, চৰ্বী, প্ৰয়োজনীয় এমিন' এচিড আৰু খনিজ লৱণৰ এক ভৰপূৰ উৎস। সেয়েহে এই খাদ্যশস্যক বহুসময়ত চুপাৰ ফুড বুলিও অভিহিত কৰা হয়। এক তথ্য অনসৰি ১৭৪ গ্ৰাম ৰন্ধা কণীধানৰ শস্যই গড় হিচাবত ২০৭ কেলৰি শক্তি, ৪১ গ্ৰাম কাৰ্বহাইড্ৰেট, ৬ গ্ৰাম প্ৰটিন, ২.২ গ্ৰাম আঁহ যোগান ধৰিব পাৰে। ইয়াৰোপৰি, ২৫% ফছফৰাছ, ১৯% মেগনেচিয়াম, ৬% আইৰণৰ ওপৰিও যথেষ্ট পৰিমাণে ভিটামিন ক, গ, বি-কমপ্লেক্স তথা এন্টি-অক্সিডেন্টেৰে ইসমৃদ্ধ। গতিকে এইবিধ চুপাৰ ফুডে আমাৰ শৰীৰক বিভিন্ন বেমাৰৰ পৰাও ৰক্ষা কৰিব পাৰে।

২০২১ বৰ্ষৰ এক অধ্যয়ন অনুযায়ী খাদ্য তালিকাত কণীধানৰ অন্তৰ্ভুক্তিয়ে টাইপ-২ প্ৰকাৰৰ মধুমেহ ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰে কাৰণ এইবিধ খাদ্যশস্যৰ গ্ৰাইচেমিক সুচকাংক যথেষ্ট কম (গড়ে ৫২.৭; আনহাতে ভাতৰ ৭১.৭ আৰু ঘেহুঁৰ ৭৪.২)। ইয়াৰোপৰি, এই জাতীয় শস্যবোৰ ধান বা ঘেঁহুৰ তুলনাত হজম হ'বলৈ বেছি সময় লাগে আৰু সেয়েহে খাদ্যত থকা শৰ্কৰা তেজত লাহে লাহে মিহলি হয়। ফলত মধুমেহত ভোগা লোকসকলৰ বাবে ই এক উপযোগী খাদ্য বুলি ধাৰণা কৰা হৈছে।

অৰ্ধশুষ্ক ক্ৰান্তীয় অঞ্চলৰ বাবে আৰ্ন্তজাতিক গৱেষণা প্ৰতিষ্ঠান, হায়দৰাবাদৰ এক তথ্য অনুসৰি কণীধান জাতীয় শস্যবোৰ হৃদযন্ত্ৰ সুৰক্ষাৰ বাবে বৰ উপযোগী। কণীধান জাতীয় খাদ্যই আমাক শৰীৰৰ পৰা কলেষ্টৰল আৰু ট্ৰাইগ্লিচাৰইড কম কৰাত সহায় কৰে। গৱেষণাৰ দ্বাৰা প্ৰমাণিত হৈছে যে কণীধান শস্য খাদ্য হিচাপে গ্ৰহণ কৰিলে মানুহৰ শৰীৰৰ কলেষ্টৰলৰ মাত্ৰা ৮ ৰ পৰা ১০ শতাংশ পৰ্যন্ত হ্ৰাস হয় আৰু এনেদৰে ই আমাৰ হৃদযন্ত্ৰ সুস্থ কৰি ৰখাত সহায় কৰে। দৰাচলতে, কণীধানত থকা মেগনেচিয়াম আৰু নিয়াচিনে আমাৰ শৰীৰৰ পৰা কলেষ্টৰল আৰু ট্ৰাইগ্লিচাৰইড হ্ৰাস কৰাত সহায় কৰে।

কণীধান জাতীয় শস্যত প্ৰচুৰ পৰিমাণে আঁহজাতীয় পদাৰ্থ থাকে আৰু ইয়ে আমাৰ পাচনতন্ত্ৰক সুস্থ কৰি ৰখাৰ ওপৰিও কৌষ্ঠকাঠিন্য, অতিৰিক্ত গেছ হোৱা, পেটফুলা অথবা খামোচা মাৰি ধৰা জাতীয় উপসৰ্গবোৰ আঁতৰাই ৰখাত সহায় কৰে। ইয়াৰোপৰি প্ৰি-বায়টিক থকা বাবে এই খাদ্যই পাচনতন্ত্ৰৰ উপকাৰী অণুজীৱবোৰৰ বাঢ়নত সহায় কৰি পাচনতন্ত্ৰক সুস্থ কৰি ৰাখে।

কণীধানত গ্লুটেন নাথাকে, সেয়েহে এই খাদ্যই গ্লুটেন সংবেদনশীল লোকৰ সততে হোৱা চিলিয়াক ৰোগৰ নিৰাময়ৰ বাবে এক বিকল্প আহাৰ। এইশস্যত যথেষ্ট পৰিমাণে প্ৰটিন থাকে আৰু সেয়েহে এই খাদ্যই আমাৰ শৰীৰৰ বেমাৰ প্ৰতিৰোধী ক্ষমতা বঢ়াই তুলিব পাৰে। এই শস্যত থকা ফটোকেমিকেলসমূহে আমাৰ শৰীৰৰ কোষসমূহ অনিয়ন্ত্ৰিত হাৰত বাঢ়ি যোৱা প্ৰক্ৰিয়াত বাধা দিব পাৰে আৰু সেয়েহে ই বৃহদন্ত্ৰ, বুকু আৰু যকৃতৰ কেঞ্চাৰ ৰোগ প্ৰতিৰোধ কৰিব পাৰে। কণীধানত থকা মেগনেছিয়ামৰ পৰিমাণে হাপানী আৰু মাইগ্ৰেইন ৰোগ প্ৰতিৰোধ কৰাত কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব পাৰে।

বৰ্তমান বিশ্বজুৰি মানুহৰ স্বাস্থ্যত সমস্যাৰ সৃষ্টি কৰা মেদবহুলতা তথা শৰীৰৰ ওজন কমোৱাৰ বাবে ই এক উপযোগী খাদ্য কাৰণ এই খাদ্যত কেলৰিৰ পৰিমাণ কম থাকে আৰু সহজে হজম নোহোৱাৰ বাবে এই খাদ্য খালে এজন সাধাৰণ লোকে দিনটোৰ বাবে কাম-কাজ কৰিবলৈ শক্তি লাভ কৰিব পাৰে। ট্ৰিপ্তফেনত চহকী হোৱা বাবে এই খাদ্যই আমাৰ মানসিক অৱসাদ আৰু উদ্বেগ আঁতৰাই ৰখাত সহায় কৰিব পাৰে।

এইবিধ খাদ্যই শিশু আৰু মহিলাসকলৰ মাজত শৰীৰৰ পুষ্টিৰ ক্ষমতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। বিশেষকৈ আইৰণ সমৃদ্ধ হোৱা বাবে ই আমাৰ দেশৰ মহিলাসকলৰ মাজত সততে প্ৰত্যক্ষ হোৱা এনিমিয়া ৰোগ নিৰাময়ত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। 'ৰাগী' নামৰ কণীধানবিধে মাতৃদুগ্ধ বৃদ্ধি কৰাত সহায় কৰে।

কণীধানত এল-লাইচিন নামৰ এমিন' এচিডবিধ যথেষ্ট পৰিমাণে থাকে। ইয়েই আমাৰ শৰীৰৰ ছালৰ গঠনৰ বাবে প্ৰয়োজনীয় 'কোলাজেন' প্ৰস্তুত কৰাত অৰিহণা যোগায়। সেয়েহে, কণীধান জাতীয় খাদ্য গ্ৰহণে আমাৰ শৰীৰত কোলাজেনৰ মাত্ৰা বঢ়াই আমাৰ ছালৰ মসৃণতা বৃদ্ধি কৰিব পাৰে আৰু সহজতে সোঁতোৰা পৰাৰ পৰা ৰক্ষা কৰিব পাৰে।

অৱশ্যে, মধ্যমীয়া হাৰত কণীধানজাতীয় খাদ্য গ্ৰহণ কৰাটোহে স্বাস্থ্যসন্মত বিধি। অত্যাধিক পৰিমাণত এই খাদ্য গ্ৰহণ কৰিলে হিতে বিপৰীত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এই খাদ্যত গ'ইট্ৰ'জেন নামৰ এক পদাৰ্থ থাকে, যিয়ে থাইৰইড হৰমন উৎপাদনত বাধা দিয়ে। ইয়াৰ ফলত আয়ডিনৰ অভাৱৰ বাবে হোৱা গইটাৰ ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়। সেয়েহে থাইৰডৰ সমস্যা থকা লোকে কণীধানৰ খাদ্য গ্ৰহণ নকৰাটো বাঞ্চনীয়।

**শ্ৰীমতী পল্লৱী তালুকদাৰ**

**আমাৰ একাষাৰ**

# আন্তৰ্জাতিক বজাৰত ডিহাইড্ৰেটেড পাচলিৰ বৰ্ধিত চাহিদাৰ ওপৰত এক আলোকপাত

খাদ্য প্ৰক্ৰিয়াকৰণত ডিহাইড্ৰেচন পদ্ধতিৰ ভূমিকা অপৰিসীম। ডিহাইড্ৰেচন হৈছে খাদ্য সংৰক্ষণৰ এক প্ৰাচীন পদ্ধতি আৰু ইপ্ৰাক্‌ঐতিহাসিক সময়ৰ পৰাই লোকসমাজৰ মাজত সমাদৃত আৰু প্ৰচলিত। ডিহাইড্ৰেটেড পাচলিবোৰক বহু দিনলৈ সংৰক্ষণ কৰি ৰাখিব পাৰি আৰু পৰৱৰ্তী প্ৰক্ৰিয়াকৰণ কৰি তাৰ চেলফ্ লাইফ্ বঢ়াব পাৰি। এইবোৰ খাদ্য পুষ্টিকৰ আৰু স্বাস্থ্যকৰ। ইয়াক ৰেদি-টু-ইট্ বা ৰেদি-টু-কুক্ শ্ৰেণীত অন্তৰ্ভূক্ত কৰিব পাৰি। ইয়াক ব্যৱহাৰ কৰিবলৈ অতি সহজ। খুব কম সময়ৰ ভিতৰতে ইয়াক ৰান্ধি-বাঢ়ি খাব পাৰি। ডিহাইড্ৰেটেড খাদ্য সামগ্ৰিত কোনো ধৰণৰ ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰা নহয়। ডিহাইড্ৰেচন পদ্ধতিৰ জৰিয়তে খাদ্যৰ আৰ্দ্ৰতা আঁতৰ কৰি বেক্টেৰীয়াৰ বৃদ্ধি বিকাশ প্ৰতিহত কৰে যাতে দীৰ্ঘ দিনলৈ খাদ্য সংৰক্ষণ কৰি ৰাখিব পাৰি। ডিহাইড্ৰেচনে খাদ্যৰ আকাৰ আকৃতি সংকুচিত কৰে ফলত পেকেজিঙৰ সামগ্ৰী ৰাহি হয় আৰু খাদ্য সংৰক্ষণত সুবিধা হয়। আজিৰ এই যান্ত্ৰিকতাৰ মাজত পৰিয়ালৰ সদস্যসকলে থলুৱা খাদ্যৰে এসাজে তৃপ্তীৰে ঘৰত বনাই খাব পৰাটো মানে বহুত এটা ডাঙৰ প্ৰাপ্তি। যৌথ পৰিয়ালৰ কথা বাৰু অলপ সুকিয়া কিন্তু আজিকালি তাকে পাবলৈ তেনেই তাকৰ। একক পৰিয়ালৰ দুয়োজন সদস্যই যেতিয়া চাকৰি কৰিবলৈ ওলাই যায় আৰু গধূলি আহি বজাৰৰ পাচলি কিনি আনিও তাক পৰিষ্কাৰ কৰি কাটিকুটি ৰান্ধিবলৈ আহঁৰি নাপাই, তেতিয়া ৰেডি-টু-কুক্ বা ৰেডি-টু-ইট্ পাচলি বা অন্য পুষ্টিকৰ এথ্‌নিক খাদ্যবস্তুৰ প্ৰয়োজনীয়তা বাৰুকৈ অনুভৱ কৰা যায়। কিন্তু এতিয়া আৰু চিন্তা নাই কাৰণ সময় সলনি হৈছে আৰু মানুহে নতুনত্বক আকোৱালি লৈছে। খাদ্য সুৰক্ষাকৰণ আৰু সংৰক্ষণ খণ্ডত হোৱা নৱীকৰণে ক্ৰেতা আৰু বিক্ৰেতা দুই শ্ৰেণীকে যথেষ্ঠখিনি উপকাৰ সাধন কৰিছে।

ডিহাইড্ৰেটেড্ পাচলিৰ ওপৰত বিভিন্ন দেশে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। বিদেশৰ নামি-দামী কোম্পানীবোৰে অত্যাধুনিক পদ্ধতি গ্ৰহণ কৰি এনেবোৰ খাদ্য সামগ্ৰী উৎপাদন কৰি আছে আৰু গ্ৰাহক শ্ৰেণীয়ে তাক ব্যৱহাৰ কৰিব পাৰিছে কাৰণ আন্তৰ্জাতিক বজাৰত ই সহজলভ্য হৈছে। ডিহাইড্ৰেটেড্ খাদ্যবোৰক সাত ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ হ'ল—

◆ মিনচ্‌ড মানে কিমা ◆ গ্ৰেনিউল ◆ পাউদাৰ ◆ ফ্লেক্‌চ ◆ কিৰ্ল্লেড ◆ টুকুৰা ◆ কটা

বিভিন্ন ধৰণৰ ডিহাইড্ৰেটেড্ পাচলি যেনে ঃ ডিহাইট্ৰেটেড হিমায়িত মটৰ, ডিহাইড্ৰেটেড্ গাজৰ, পিয়াজ, কল, ঋতুকালীন শাক, সেউজীয়া পাচলি, বন্ধাকবি, বনৌষধিৰ পাত, মাকৈ ইত্যাদি আন্তৰ্জাতিক বজাৰত বহুলভাৱে প্ৰচলিত। ইউৰোপ, আমেৰিকা, জাপান, চীন, ৰাছিয়া আদিৰ দৰে দেশে এই পাচলিসমূহ ব্যৱহাৰ কৰি আছে আৰু এইবোৰ দেশৰ খাদ্য প্ৰক্ৰিয়াকৰণ বিভাগে এই খাদ্যসমূহৰ ওপৰত যথেষ্ঠ খিনি কাম কৰি আছে।

এতিয়া আহো, আন্তৰ্জাতিক বজাৰত ডিহাইড্ৰেটেড্ পাচলিৰ চাহিদা কিয়নো ইমান বেছি ? ইয়াৰ কেইবাটাও কাৰণ আছে। প্ৰথমটো হৈছে এইবোৰ মিনিমেলী প্ৰচেছড ফুড মানে নিম্নতম সংসাধিত বা নিম্নতম প্ৰক্ৰিয়াকৰণ কৰা খাদ্য যাক আধুনিক, উন্নতমানৰ পেকেজিঙৰ জৰিয়তে বহুদিনলৈ সংৰক্ষশ কৰি ৰাখিব পাৰি। দ্বিতীয়তে এইবোৰ ৰেদি-টু-চাৰ্ভ বা ৰেদি-টু- কুক্ খাদ্য যাক অতি সহজে কম সময়ত বনাই খাব পাৰি। আমেৰিকা, ইউৰোপ আদিৰ মানুহে ইয়াক জলপানৰ বিকল্প হিচাপে গ্ৰহণ কৰে। তেওঁলোকে বাৰগাৰ, চেন্দুইছ আদিটো ব্যৱহাৰ কৰে। সেউজীয়া পাচলিবোৰ বাৰগাৰত দি খাবলৈ খুব ভাল। এই ডিহাইড্ৰেটেত পাচলিৰবোৰ পুষ্টিকৰ আৰু স্বাস্থ্যকৰ। ইয়াত কোনো ধৰণৰ প্ৰিজাৰভেতিভ বা ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰা নহয়। তৃতীয়তে, এইবোৰ খাদ্য ঋতুৰ পৰা স্বতন্ত্ৰ মানে ই বছৰৰ সকলো সময়তে উপলব্ধ। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল ডিহাইড্ৰেটেড্ খাদ্য সামগ্ৰীবোৰ জৰুৰীকালীন অৱস্থাত বিতৰণ কৰিব পাৰি। কভিডৰ নিচিনা পৰিস্থিতিত বা অন্য কোনো মহামাৰীৰ সময়ত এই ডিহাইড্ৰেটেড পাচলিৰ বিতৰণে মানৱ জাতিক যথেষ্টখিনি সহায় কৰিব বুলি আশা কৰিব পাৰি। আমাৰ দেশত বা ৰাজ্যখনৰ কথাকে কও, ডিহাইড্ৰেটেড পাচলিৰ বজাৰখন ইয়াত সৰু আৰু কমকৈ প্ৰচলিত। তাৰ মাজতো কিছুমান কোম্পানীয়ে ইয়াৰ উৎপাদনৰ ওপৰত কাম কৰি আছে। অৰগেনিক প্ৰডাক্‌ছ ইণ্ডিয়া হৈছে জৈৱিক আৰু পৰম্পৰাগত ডিহাইড্ৰেটেড খাদ্য সামগ্ৰীৰ এক আগশাৰীৰ নিৰ্মাতা আৰু যোগানকৰ্তা। ইচ্ছুক ব্যক্তি বা নিৰ্মাতা কোম্পানি বা চেল্‌ফ হেল্প গ্ৰুপে তেওঁলোকক যোগাযোগ কৰিব পাৰে info@virolspices,com ত মেইলৰ যোগেদি। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি আভিযান্ত্ৰিক বিভাগত থকা এ আই চি আৰ পি জি এইচ ই টি গৱেষণাগাৰত কাম চলি আছে তিতাবৰ স্থিত, আৰ এ আৰ এচ কৃষকমেলাত হোৱা প্ৰদৰ্শনী অনুষ্ঠানত বিভিন্ন ধৰণৰ ডিহাইড্ৰেটেড পাচলিবোৰ যেনে ঃ কলদিলৰ পচলা, মিশ্ৰণ, আদাৰ মুখৰোচক, আদাৰ মচলা গুৰি, লাই, পালেং, শাকৰ মিশ্ৰণ, বাহঁৰ গাজৰ মচলা মিশ্ৰণ, বাঁহৰ গাজৰ কেণ্ডি আদিয়ে মানুহৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষশ হৈছে।

**শ্ৰীমতী ৰঞ্জনা ডেকা**

# মাহটোৰ কৃষিকৰ্ম্ম

**১৫ মাঘৰ পৰা ১৫ ফাগুণ, ১৯৪৪ শক**

## পথাৰ শস্য

**ৰোৱা আহু ধান**

**উন্নত জাত ঃ** লাচিত, চিলাৰায় আৰু গোপীনাথ। বানপানী আক্ৰান্ত অঞ্চলত লুইত আৰু কপিলী আগতীয়াকৈ চপাব পৰা কম দিনীয়া জাত।

১। এবিঘাৰ বাবে ১.২৫ মিঃ বহল আৰু ১০ মিঃ দীঘল আঠখন কঠীয়াতলী প্ৰস্তুত কৰিব লাগে। তেনে জোখৰ এখন কঠীয়াতলীৰ বাবে ৬৫০ গ্ৰামৰ পৰা ১০০০ গ্ৰাম বীজৰ প্ৰয়োজন।

২। প্ৰতিখন কঠীয়া তলীত ২০ - ৩০ কিলোগ্ৰাম গোবৰ নাইবা পচন সাৰ, ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম একক চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰিয়েট অৱ পটাচ সাৰ প্ৰয়োগ কৰিব লাগে।

৩। পুলিবোৰ সোনকালে বাঢ়িবৰ বাবে ছৈ দিয়া প্লাষ্টিকৰ 'টানেল' দি প্ৰতি ছিটা কঠীয়া তলী ঢাকি থব পাৰিলে কঠীয়া ৰুৱৰ সময় ৫-৬ দিন আগুৱাই দিব পাৰি।

৪। মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি এক টনকৈ গোবৰ নাইবা পচন সাৰ প্ৰয়োগ কৰিব।

৫। শেষৰ বাৰ বোকা কৰাৰ সময়ত ৪ কিঃ গ্ৰাম ইউৰীয়া, ১৮ কিঃ গ্ৰাম চুপাৰ ফচফেট আৰু ৪ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাচ মাটিৰ লগত মিহলাই দিব।

৬। ওখ জাতৰ ধানৰ ক্ষেত্ৰত সাৰৰ পৰিমাণ আধালৈ কমাই দিব।

**সিঁচা আহু**

১। অসমৰ কৃষি জলবায়ু মণ্ডল অনুসৰি সিঁচা আহু ধানৰ জাত বেলেগ বেলেগ। কৃষক সকলে নিজ নিজ অঞ্চলৰ অনুমোদিত জাত বিলাক স্থানীয় কৃষি সম্প্ৰসাৰণ কৰ্মীৰ পৰা জানি লব।

২। মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি ১৫ কুইন্টল গোবৰ বা পচন সাৰ প্ৰয়োগ কৰিব।

৩। শেষৰ বাৰ মাটি চহাওতে প্ৰতি বিঘা মাটিত ১৮ কিঃ গ্ৰাম হিচাবে চুপাৰ ফচফেট প্ৰয়োগ কৰিব।

৪। বীজ অঙ্কুৰণৰ ১৫-২৫ দিনৰ ভিতৰত নাইবা প্ৰথমবাৰ বন-বাত নিৰোৱাৰ পিচত ৬ কিঃ গ্ৰাম ইউৰীয়া আৰু ৪ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাচ শাৰীৰ মাজত ছতিয়াই টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব।

৫। পুনৰ ৬ কিঃ গ্ৰাম ইউৰীয়া বীজ অঙ্কুৰণৰ ৪৫ - ৫০ দিনৰ পিচত নাইবা দ্বিতীয়বাৰ বন নিৰোৱাৰ সময়ত টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব।

৬। ওখ জাতৰ আহু ধানৰ ক্ষেত্ৰত উল্লেখিত সাৰৰ আধা অংশ ব্যৱহাৰ কৰিব।

৭। ফাগুনৰ প্ৰথম সপ্তাহটো বীজ সিঁচাৰ উত্তম সময়।

৮। ২০ চেঃ মিঃ ব্যৱধানত শাৰীবদ্ধ প্ৰণালীত বীজ সিঁচিব। এবিঘা মাটিত সিঁচিবৰ বাবে ১০ কিঃ গ্ৰাম বীজৰ প্ৰয়োজন।

**মুঢ়া কুঁহিয়াৰ ঃ**

১। কুঁহিয়াৰ কটাৰ পিচত তলিডৰা ভালদৰে পৰিস্কাৰ কৰি কোৰেৰে ভেটি বিলাক ভাঙি দিব লাগে। শাৰীৰ মাজৰ খালি ঠাই বিলাকত গঁজালি মেলা নতুন আগ ৰুই পূৰ কৰি দিব।

২। ভেটিবিলাক ভঙাৰ পিচতে গোবৰ নাইবা পচন সাৰ মূঢ়াবিলাকত প্ৰয়োগ কৰিব। ইয়াৰ পিচতে প্ৰতি বিঘা তলীত ৪৫ কিঃ গ্ৰাম ইউৰীয়া, ৬০ কিঃ গ্ৰাম একক চুপাৰ ফচফেট আৰু ১৫ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাছ এবাৰত নাইবা ৬০ দিনৰ ভিতৰত দুবাৰ টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব।

**গ্ৰীষ্মকালীন মগু আৰু মাটি মাহ ঃ**

১। অসমৰ জলবায়ুৰ উপযোগী গ্ৰীষ্মকালীন মগু মাহৰ জাত কেইটা হ'ল - টি-৪৪, কপাৰ গাঁও, কে-৮৫১, এন এল ৫৬, পি আই এম এচ ১, এম এল ১৩১, এ এ ইউ ৩৪, এ এ ইউ ৩৯ আৰু প্ৰতাপ। মাটি মাহৰ জাত কেইটা হ'ল - টি ৯, পি ইউ ১৯, ইউ জি ১৫৭, আৰু জে ইউ ৭৮ ।

২। এবিঘা মাটিত শাৰীবদ্ধভাৱে সিঁচিবলৈ মগুমাহৰ ২.৫-৩.০ কিঃ গ্ৰাম আৰু মাটি মাহৰ ৩.০ - ৩.৫ কিঃ গ্ৰাম বীজৰ আৱশ্যক। ছটিয়াই সিঁচিবলৈ হ'লে উভয়ৰ ক্ষেত্ৰত আধা কিঃ গ্ৰাম বীজ সৰহকৈ লোৱা উচিত।

৩। অম্লযুক্ত মাটি হ'লে এবিঘা মাটিত ২.০ - ২.৫ কুইণ্টল চূণ গুটি সিঁচাৰ পোন্ধৰ দিন আগতে মাটি প্ৰস্তুত কৰোতে মাটিত প্ৰয়োগ কৰি অম্লতা কমাই ল'ব।

৪। বীজখিনি সিঁচাৰ আগতে পৰিস্কাৰ পানীত ধূই ৪/৫ ঘণ্টামান তিয়াই ৰাখিব। ইয়াৰ পিচত ১৫০ গ্ৰাম ৰাইজ'বিয়াম জীৱাণু সাৰ প্ৰতি ৩ কিঃ গ্ৰাম বীজৰ লগত ভালদৰে মিহলাই এঘণ্টামান সময় ছাঁত শুকাবলৈ দিব। বীজ সিঁচাৰ আগতে এবিঘা তলীত ৪.৫ কিঃ গ্ৰাম ইউৰীয়া আৰু ৩০ কিঃ গ্ৰাম একক চুপাৰ ফচফেট একেলগে ছটিয়াই মাটিৰ লগত মিলাই ল'ব। এতিয়া তলীডৰাত ৩০ চেঃ মিঃ দূৰত্বত ৫ চেঃ মিঃ দকৈ একোটা লোৰ কৰি তাত সমানে বীজ সিঁচি মাটিৰে ঢাকি দিব।

## উদ্যান শস্য

শীতকাল অহাৰ লগে লগে বায়ু মণ্ডলৰ উষ্ণতা কমিবলৈ ধৰে, বায়ু মণ্ডল চেঁচা হয়, ৰাতি নিয়ৰ পৰিবলৈ ধৰে আৰু শেহ ৰাতিৰ পৰা ৰাতিপুৱালৈ কুঁৱলী পৰে। এই সময়ত বৰষুণ নোহোৱাৰ বাবে মাটিৰ জীপ নাইকীয়া হয়, মাটি শুকান আৰু টান হয়। এনে অৱস্থাত গছৰ বৃদ্ধি কমি যায়, ফুল নুফুলে আৰু ফল নধৰে বা ফুল ফুলিবলৈকো বহুত সময় লয় আৰু ফলবিলাক বৰ লাহে লাহে বাঢ়ে। কিন্তু ফল-মূল শস্যৰ ক্ষেত্ৰত গছত প্ৰায় ফুল নুফুলেই, বেছিভাগ ফল-মূল গছৰ পাত বিলাক সৰি পৰে গছবোৰ লঠঙা হয় আৰু গছজোপাই এই প্ৰতিকুল অৱস্থাত সোমাই কোনো মতে জীয়াই থাকে। আম, লিচু, কঠাল আদি চিৰ সেউজীয়া ফল-মূল গছবোৰৰ যদিও শীতকালত পাত সৰি নপৰে তথাপি ইহঁতৰ শৰীৰৰ প্ৰক্ৰিয়াবোৰ বৰ লাহে লাহে চলি থাকে। গতিকে এনে প্ৰতিকুল অৱস্থাত ফল-মূল গছৰ কেনেদৰে প্ৰতিপালন কৰিব লাগে তাকে আলোচনা কৰিম।

**কল ঃ** কল গছৰ গুৰিত ১০/১২ দিনৰ মূৰে মূৰে পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাটিত জীপ ৰাখিবৰ বাবে কল গছৰ গুৰিত ধানৰ নৰা বা খেৰ আদি জাপি দিব লাগে। কলডিল ওলোৱা গছত কাষত এটা মাত্ৰ পোখা পুলি ৰাখি বাকীবোৰ আতঁৰাই দিব পাৰিলে ভাল। কলৰ ঠোকটো মৰাপাটৰ ছটি বা কলৰ শুকান পাতেৰে মেৰিয়াই ৰাখিব লাগে, যাতে বায়ুমণ্ডলৰ কম উষ্ণতাই কলৰ ঠোকটো বঢ়াত বাধা নিদিয়ে। এই সময়ত গছত পানীৰ পৰিমাণ বাঢ়ি যোৱাৰ বাবে সাধাৰণতে গছৰ পাত পটুৱাবোৰ কাটিব নেলাগে।

**নাৰিকল ঃ** নাৰিকল গছৰ গুৰি ভালদৰে ভিজি যোৱাকৈ প্ৰতি ১০/১২ দিনৰ ব্যৱধানত এবাৰকৈ পানী দিব লাগে। মাটিত জীপ ৰাখিবৰ বাবে পানী যোগান ধৰাৰ পাচত গছৰ চাৰিওফালে মাটিত ধান খেৰ, গছৰ শুকান পাত বা মেটেকা জাপি দিয়ক। গছৰ গুৰিত সৰহ পৰিমাণে পচন সাৰ বা শুকান গোবৰ প্ৰয়োগ কৰিলে মাটিয়ে পানী ধৰি ৰখাত সহায় হয়। নতুনকৈ ৰোৱা সৰু পুলিবিলাকৰ গুৰিত পচন সাৰ দি মাটি জাপি দিয়ক। পুলিৰ মাজৰ খালি অংশত অন্তৰৱৰ্ত্তী শস্য হিচাবে নানা তৰহৰ শাক-

(৪ পৃষ্ঠাৰ ১ কলমত চাওক)

**ড° ৰণজিৎ কুমাৰ সাউদ**

(৩ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## উদ্যান শস্য

পাচলিৰ খেতি কৰক। লাগনি গছৰ পৰা শুকান বা পুৰঠ নাৰিকলবোৰ পৰি আনক। গছৰ আগ অংশত থকা শুকান পাতবোৰ বা শুকান ঠোকৰ বখলাবোৰ বা ঠোকবোৰ কাটি আতঁৰাই আনক। গছৰ গুৰি অংশ পৰিস্কাৰ কৰি মাটিৰ পৰা ৩-৪ ফুট ওপৰলৈ গা-গছত এটা চূণৰ প্ৰলেপ দিয়ক।

**তামোল ঃ** তামোলবাৰীত প্ৰতি ১৫ দিনৰ অন্তৰত এবাৰ পানী যোগান ধৰিব লাগে। তামোলবাৰীৰ পৰা শুকান পাতবোৰ আতঁৰাই বাৰীখন পৰিস্কাৰ কৰি ৰাখক। মাজৰ ঠাইখিনিৰ পৰা বন-বাতবোৰ আতঁৰাই গছৰ গুৰিত পচন সাৰ বা গোবৰ সাৰ দি মাটি চপাই দিয়ক। নতুনকৈ ৰোৱা পুলিবিলাকৰ গুৰিত গোবৰ সাৰ দি মাটি চপাই দিয়ক। তামোল নলগা সৰু বাৰীৰ মাজৰ খালী অংশত কোৰ মাৰি জলকীয়া, বেঙেনা, বিলাহী আদিৰ খেতি কৰক। গছৰ গুৰিত ৩ ফুট অংশ নাৰিকল গছত দিয়াৰ দৰে চূণৰ প্ৰলেপ দিয়ক।

**মাটি কঠাল ঃ** মাটি কঠালৰ বাৰীত আৰতৰীয়াকৈ হোৱা পকা ফলবোৰ চপাই আনিব লাগে। মূঢ়া শস্যৰ গুৰিত পাতলীয়াকৈ মাটি চপাওক। তেনেবোৰ গছত এটামাত্ৰ পোখা পুলি ৰাখি বাকীবোৰ পুলি উঠাই বেলেগে ৰোপন কৰাৰ ব্যৱস্থা কৰিব লাগে নাইবা বহাগ-জেঠ মাহত ততালিকৈ ৰোপন কৰিব পৰাকৈ জীপ থকা মাটিত এটা এটাকৈ গোটাই থওক, যাতে পোখা পুলিবোৰত শিপা ওলায়। শীতকালত কেতিয়াবা অহা বৰষুণৰ পাচত ছেগ বুজি মাটি কঠালৰ বাৰীত দুটা শাৰীৰ মাজৰ খালি অংশত ধানৰ তুঁহ পাতলীয়াকৈ জাপি দিব পাৰিলে বৰষুণৰ পাচত বহুত দিনলৈ মাটিত জীপ থাকে। নতুনকৈ বাৰী পাতিবৰ মন থাকিলে ওখ চানেকীয়া মাটি বাছনি কৰি হাল-কোৰ মৰাৰ ব্যৱস্থা কৰিব পাৰে।

**নেমুটেঙা ঃ** নেমুগছৰ শুকান, বেমাৰে আক্ৰমণ কৰা বা বেছি বয়সৰ ডালবোৰ গুৰিতে কাটি আতঁৰাই দিব লাগে। গছত ফলৰ সংখ্যা বঢ়াই উৎপাদন বঢ়াবলৈ হ'লে গছৰ ওপৰৰ ৩০ চেঃমিঃ বা ১ ফুট অংশ ডাল সমান জোখত এতিয়াই কাটি দিয়ক। গছৰ গুৰিৰ মাটিত যাতে জীপ থাকে তালৈ লক্ষ্য ৰাখিব লাগে। গছত থকা পুৰঠ ফলবোৰ চপাই আনক। গছত আক্ৰমণ কৰা পোক বা বেমাৰৰ বাবে নিবাৰণৰ ব্যৱস্থা কৰক। গছৰ গুৰিৰ পৰা বন-বাতবোৰ আতঁৰাই গুৰিত ২-৩ ফুট ওপৰলৈ এটা চূণৰ প্ৰলেপ দিয়ক।

**সুমথিৰা টেঙা ঃ** গছৰ পৰা পকা ফলবোৰ চপাই আনক। ফল চপোৱাৰ সময়ত গছৰ শুকান বা বেমাৰে আক্ৰমণ কৰা ডালবোৰ কাটি দিয়ক। ফল চপোৱা শেষ হ'লে টেঙা বাৰীখনত জীপ ৰাখিবৰ বাবে এবাৰ পানীৰ ব্যৱস্থা কৰক। গছৰ গুৰিৰ পৰা বন-বাতবোৰ আতঁৰাই গা-গছত ২-৩ ফুট ওপৰলৈ এটা চূণৰ প্ৰলেপ দিয়ক। নতুনকৈ যদি কমলাৰ বাৰী পাতিব খুজিছে তেন্তে সহজে পানী ওলাই যাব পৰা ৰ'দঘাই ওখ সাৰুৱা মাটি বাছনি কৰি হাল-কোৰ মৰাৰ ব্যৱস্থা কৰক। পুৰণি বাৰীৰ পৰা অপ্ৰয়োজনীয় গছবোৰ উঠাই দিয়ক। গছত আক্ৰমণ কৰা পোক বা বেমাৰৰ বাবে নিৰাময়ৰ ব্যৱস্থা কৰক।

**অমিতা ঃ** বাৰিষা ৰোপণ কৰা অমিতা গছত যদি ফুল ওলাই লিংগ নিৰ্ণয় কৰিব পৰা অৱস্থা হৈছে তেন্তে ভিন্নবাহী অমিতা সঁচৰ ক্ষেত্ৰত মতা গছবোৰ কাটি মাত্ৰ স্ত্ৰী পুষ্প গছবোৰ ৰাখক। অৱশ্যে প্ৰতি ১০ জোপা স্ত্ৰী পুষ্প গছৰ মাজত এজোপা পুং পুষ্পৰ গছ ৰাখিব লাগে। মাথোন স্ত্ৰী পুষ্প বাহক সঁচৰ গছৰ ক্ষেত্ৰত এই নিয়ম সাধাৰণতে প্ৰযোজ্য নহয়। ফলৰ আকাৰ ডাঙৰ আৰু উন্নত মানদন্দৰ বাবে লাগনি গছত থকা মাজৰ সৰু সৰু ফলবোৰ চিঙি পাতল কৰি দিব লাগে।

**মধুৰি আম ঃ** ফল নধৰা আৰু আগৰ পৰা শুকাই অহা ডালবোৰ কাটি দিয়ক। এবাৰো ফুল নুফুলা থিয় ডালবোৰ মাটিলৈ হাওলাই আনি বেকাকৈ ৰাখক। গছৰ তলৰ পৰা বন-বাতবোৰ চিকুণাই এবাৰ পাতলীয়াকৈ কোৰ মাৰি দিয়ক। গা-গছৰ গুৰি অংশৰ ২-৩ ফুট ওপৰলৈ চূণৰ প্ৰলেপ দিয়ক।

**ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস**
(অৱসৰী অধ্যাপক, অঃকৃঃবিঃ)

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## লেটব্লাইট-আলুখেতিৰ ...

কৰিও এই ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰি।

৫) সংৰক্ষণৰ আগতে আলুগুটিবোৰ ভালকৈ নিৰীক্ষণ কৰাটো খুবেই প্ৰয়োজন। যিহেতু আক্ৰান্ত আলুগুটিয়েই এই ৰোগৰ বীজাণুৰ প্ৰধান বাহক।

এবিঘা মাটিত আলুখেতি কৰিবলৈ হ'লে আৱশ্যক হোৱা বীজ তথা পথাৰ প্ৰস্তুতিৰ বাবে ৮,০০০-১০,০০০ খৰচ কৰিব লগা হয়। এই ক্ষেত্ৰত লেটব্লাইটৰ আক্ৰমণৰ ফলত খেতিডৰা নষ্ট হ'লে কৃষকৰ পিঠিত মাধমাৰ পৰাটো আৱশ্যাম্ভাবী। সেয়েহে বেমাৰ হ'লে দৰৱ ছটিয়াব বুলি অপেক্ষা কৰি নাথাকি প্ৰতিৰোধক জাত তথা প্ৰতিষেধক ব্যৱস্থাৱলী গ্ৰহণ কৰি খেতিডৰা বচাই ৰখাটো অতিকৈ জৰুৰী তথা বুদ্ধিমানৰ কাম।

**শ্ৰীমতী মধুস্মিতা কটকী**

# আগতীয়া ৰোৱা আহুধানৰ খেতি

অসমত ৰোৱা আহুধানৰ খেতি আগতীয়া আৰু নিয়মীয়া আহু হিচাপে কৰা হয়। ৰোৱা আহুধানৰ খেতি কৰিবলৈ জলসিঞ্চনৰ ব্যৱস্থা লাগিবই। ৰোৱা আহুধানৰ খেতিৰ লগত কিছুমান সমস্যা জড়িত হৈ আছে। তাৰ ভিতৰত -- উপযুক্ত জলসিঞ্চন ব্যৱস্থাৰ অভাৱ, হঠাতে উদ্ভৱ হোৱা খৰাং পৰিস্থিতি, উন্নত শস্য পৰিচৰ্য্যাৰ অভাৱ, বন-বাতৰ প্ৰকোপ আদিয়ে প্ৰধান। সমস্যা থাকিলেও বিজ্ঞানসন্মত কৃষি প্ৰণালী প্ৰয়োগৰ দ্বাৰা আগতীয়া ৰোৱা আহুধানৰ উৎপাদন যথেষ্ট পৰিমাণে বঢ়াব পৰা যায়।

**মাটি নিৰ্বাচন ঃ** আগতীয়া ৰোৱা আহুধানৰ খেতি কৰিবলৈ হ'লে য'ত জলসিঞ্চনৰ ব্যৱস্থা আছে নতুবা জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা যায় তেনেকুৱা মাটি নিৰ্বাচন কৰিব লাগে। ৰোৱা আহুধান কৰিবলৈ গধুৰ বা মধ্যমীয়া গঠনৰ মাটি নিৰ্বাচন কৰাটো ভাল।

**জাত নিৰ্বাচন ঃ** আগতীয়া ৰোৱা আহুধানৰ উৎপাদন নিৰ্ভৰ কৰিব উপযুক্ত জাত নিৰ্বাচন কৰাৰ ওপৰত। সেয়েহে আগতীয়া ৰোৱা আহুধানৰ জাতসমূহ কম দিনতে চপাব পৰা, অৰ্দ্ধ চাপৰ (৯০ ছে-মিঃ), খৰাং সহ্য কৰিব পৰা, পোক-পৰুৱা তথা বেমাৰ-আজাৰৰ প্ৰতিৰোধ ক্ষমতা থকা আৰু ধান পকাৰ পিছত গছতেই গজালি নেমেলা গুণবিশিষ্ট হ'ব লাগে। তদুপৰি আগতীয়া ৰোৱা আহুধানৰ জাতসমূহে প্ৰাৰম্ভিক অৱস্থাত ঠাণ্ডা সহ্য কৰিব পৰা গুণবিশিষ্ট হোৱাটো বাঞ্চনীয়। আগতীয়া ৰোৱা আহুধানৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে অনুমোদন জনোৱা জাতসমূহ হৈছে- লুইত, কপিলী, দিচাং, কলং, দিখৌ, হাচ্চা আদি।

**কঠীয়াতলি প্ৰস্তুতি ঃ** ৰোৱা আহুধানৰ পৰা অধিক উৎপাদন আশা কৰিবলৈ হ'লে সুস্থ, সবল আৰু নিৰোগী কঠীয়া উৎপাদন কৰিব্বই লাগিব। ডাকৰ বচনত লিখা আছে - 'বাই গুণে ভিনিহি, কঠীয়া গুণে কিৰিষি।' কঠীয়া সিঁচিবৰবাবে মাটিডৰা ভালদৰে হালবাই মৈয়াই ল'ব লাগে যাতে মাটিডৰা ভাল ধৰণে বোকা হয় আৰু সমান হয়। তাৰ পিছত কঠীয়াতলিখন ৪ ফুট বহল আৰু ৩০ ফুট দীঘল হিচাপে চিতা বা বেদ বনাই দিব লাগে। দুখন কঠীয়াতলিৰ মাজত এফুট ব্যৱধান ৰাখি নলা বা লোৰ বনাই দিব লাগে। পানীৰ অভাৱ হ'লে এই লোৰেৰে পানী সুমুৱাই দিব পৰা যায়। তদুপৰি এনেকৈ ব্যৱধান ৰাখিলে কঠীয়াতলিৰ মাজলৈ সোমাই গৈ পৰিদৰ্শন কৰি পোক-পৰুৱা বা বেমাৰ-আজাৰৰ প্ৰাদুৰ্ভৱ প্ৰত্যক্ষ কৰাৰ উপৰিও নিৰাময়ৰ বাবে দৰৱ স্প্ৰে কৰিব পৰা যায়। একোখন কঠীয়াতলিত ২০-৩০ কিঃগ্ৰাঃ গোবৰ বা পচন সাৰ, ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম একক চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। প্ৰতিখন কঠীয়াতলিত ৬৫০ গ্ৰামৰ পৰা ১ কিঃ গ্ৰামলৈ গজালি মেলা বীজ সিঁচিব পৰা যায়। বীজখিনি এৰাতি তিয়াই দুৰাতি গাপ দিলে সুন্দৰ গজালি ওলাব।

**বীজ সিঁচাৰ সময় ঃ** আগতীয়া ৰোৱা আহুধানৰ খেতিৰ বাবে ফাগুণ মাহত কঠীয়া সিঁচিব লাগে।

**মূল পথাৰ প্ৰস্তুতি ঃ** মূল পথাৰত হাল বোৱাৰ সময়তেই পথাৰখনত এবাৰ পানী ভৰাই ল'ব লাগে। অৰ্থাৎ কঠীয়া ৰোৱাৰ ২১-২৪ দিন আগেয়ে পানী ভৰাই প্ৰথমবাৰ হাল বাই ল'ব লাগে। প্ৰথমবাৰ পানী ভৰোৱাৰ পাছত কঠীয়া ৰোৱাৰ ১০-১২ দিন আগতে আকৌ পানী ভৰাই লৈ হাল বাই মাটি বোকা কৰিব লাগে। হাল বোৱাৰ পাছতে মাটিডৰা ভালকৈ মৈয়াই থ'ব লাগে। পথাৰখনত আলি ঘনকৈ আৰু ওখকৈ দিব লাগে। আলিবোৰ মেৰামতি কৰি বোকাৰে লেপি দিব লাগে। শেষৰবাৰ হাল বোৱাৰ সময়তে পানী ভৰাই হাল বাই মৈয়াই কঠীয়া ৰোৱাৰ বাবে প্ৰস্তুত কৰিব লাগে। ৰোৱাৰ সময়ত ৫ ছেঃমিঃ জোখৰ পানী ৰাখিব লাগে।

**সাৰ প্ৰয়োগ ঃ** মূল পথাৰ প্ৰস্তুতিৰ সময়তে পৰ্য্যাপ্ত পৰিমাণে শুকান গোবৰ, পচন সাৰ আদি প্ৰয়োগ কৰিব লাগে। চাপৰ জাতৰ বাবে বিঘাই প্ৰতি ১২ কিঃগ্ৰাঃ ইউৰীয়া, ১৭ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ৪ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। ওখ জাতৰ বাবে বিঘাই প্ৰতি ৬ কিঃগ্ৰাঃ ইউৰীয়া, ৯ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ২ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰৰ প্ৰয়োজন হয়। ডি এ পি সাৰ ব্যৱহাৰ কৰিলে চাপৰ জাতৰ বাবে বিঘাই প্ৰতি ৬ কিঃগ্ৰাঃ ডি এ পি, ১০ কিঃগ্ৰাঃ ইউৰীয়া আৰু ৪ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰৰ প্ৰয়োজন হয়। ওখ জাতৰ বাবে বিঘাই প্ৰতি ৩ কিঃগ্ৰাঃ ডি এ পি, ৫ কিঃগ্ৰাঃ ইউৰীয়া আৰু ২ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে।

**সাৰ প্ৰয়োগৰ সময় ঃ** আগতীয়া ৰোৱা আহুৰ বাবে ৰোৱনী চাহতে ইউৰীয়া সাৰৰ এক তৃতীয়াংশ আৰু একক চুপাৰ ফচফেট আৰু মিউৰেট অৱ পটাছ সাৰৰ সমপূৰ্ণ অংশ প্ৰয়োগ কৰিব লাগে। বাকী ৰৈ যোৱা ইউৰীয়া সাৰৰ এক তৃতীয়াংশ ধানে পোখা মেলাৰ সময়ত আৰু অন্য এক তৃতীয়াংশ ধানে মণিধৰাৰ সময়ত প্ৰয়োগ কৰিব লাগে। ইউৰীয়া সাৰৰ অপচয় ৰোধ কৰিবৰ বাবে ইউৰীয়া সাৰ টপড্ৰেচিং কৰাৰ পাছতেই শাৰীৰ মাজত নিৰণি যন্ত্ৰ চলাই দিব লাগে বা ভৰিৰে গচকি সাৰখিনি মাটিৰ লগত মিহলি কৰি দিব লাগে।

**কঠীয়া ৰোপণ ঃ** আগতীয়া ৰোৱা আহুৰ বাবে কঠীয়া ৰোৱাৰ সময় হৈছে চ'ত মাহৰ দ্বিতীয় সপ্তাহ। বিঘাই প্ৰতি উচিত পৰিমাণৰ গোছা পাবৰ বাবে শাৰীবদ্ধ প্ৰণালীত কঠীয়া ৰুব লাগে। গোছাই প্ৰতি ২-৩ ডাল কঠীয়াই যথেষ্ট। কঠীয়া পোনকৈ আৰু ৪-৫ ছেঃ মিঃ গভীৰতাত ৰুব লাগে। দুটা শাৰীৰ মাজত দূৰত্ব ২০ ছেঃমিঃ বা ৮ ইঞ্চি আৰু দুটা গোছাৰ মাজত দূৰত্ব ১৫ ছেঃমিঃ বা ৬ ইঞ্চি হ'ব লাগে। কঠীয়া ৰোৱাৰ ৭-১০ দিনৰ পাছত মৰি যোৱা কঠীয়াবোৰ উভালি নতুন কঠীয়া ৰোপণ কৰিব লাগে।

**জলসিঞ্চন ব্যৱস্থা ঃ** আগতীয়া ৰোৱা আহু ধানৰ খেতিৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰাটো অপৰিহাৰ্য্য। ৰোৱা আহু ধানৰ খেতিৰ বাবে মুঠতে ৮০০-১০০০ মিঃ মিঃ পানীৰ প্ৰয়োজন হয়। তাৰ ভিতৰত আমি ৩৫০-৫০০ মিঃমিঃ পানী জলসিঞ্চন ব্যৱস্থাৰে যোগান ধৰিব লগা হয় আৰু গোটেই সময়ছোৱাত ৭-১০ বাৰ জলসিঞ্চন কৰিব লগা হয়। কঠীয়া ৰোৱাৰ ২-৩ দিন পাছৰে পৰা ধান পকাৰ ১০-১৫ দিন আগলৈকে পথাৰত ৫ ছেঃ মিঃ পানী ৰাখিব লাগে। পানী যোগানৰ ক্ষেত্ৰত মিতব্যয়িতা অৱলম্বন কৰিবলৈ আগতে যোগান ধৰা পানীখিনি শুকুৱাৰ ৩ দিনৰ মূৰে মূৰে ৫ ছেঃমিঃ পানী পথাৰত যোগান ধৰিব লাগে।

**বন-বাত নিয়ন্ত্ৰণ ঃ** বন-বাত নিয়ন্ত্ৰণ কৰিবৰ বাবে কঠীয়া ৰোৱাৰ ২০ আৰু ৪০ দিনৰ পাছতে নিৰণি যন্ত্ৰ ব্যৱহাৰ কৰিব লাগে। বিকল্প হিচাপে ইউৰীয়া সাৰ টপড্ৰেছিং কৰাৰ সময়ত নিৰণি যন্ত্ৰ ব্যৱহাৰ কৰিলেও সুফল পোৱা যায়।

**ড° ৰণজিৎ কুমাৰ সাউদ**

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

## কৃষি শিক্ষা, গৱেষণা আৰু

চাহ প্ৰযুক্তিবিদ্যাৰ স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম আৰম্ভ, অত্যাধুনিক ভাষা শিক্ষণ কেন্দ্ৰ আৰম্ভ কৰাৰ লগতে ৰাষ্ট্ৰীয় কৃষি শিক্ষা মূল্যায়ণ বোৰ্ডৰ এ গ্ৰেড লাভ কৰে। ২২ সংখ্যক সমাবৰ্তন অনুষ্ঠিত কৰা বিশ্ববিদ্যালয়খনত ভূটানৰ কনছুল জেনেৰেলে ভ্ৰমণ কৰে। বন্যজীৱ গৱেষণা কেন্দ্ৰ আৰম্ভ, আঞ্চলিক কৃষি মেলা, কৃষি আৰু পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী, সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আৰু কৃষক উৎপাদক কোম্পানীৰ সন্মিলনো বিশ্ববিদ্যালয়খনে অনুষ্ঠিত কৰি সাফল্য অৰ্জন কৰে।

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

## জৈৱ প্ৰযুক্তিৰ সপ্তাহজোৰা

কাৰিকৰী সহযোগিতাত হোৱা এই প্ৰশিক্ষণত কাজিৰঙা বিশ্ববিদ্যালয় আৰু দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। অনুষ্ঠানত সহকাৰী অধ্যাপক ড° মানৱ বিকাশ গগৈ আৰু ড° বসন্ত কুমাৰ বৰাই বক্তব্য আগবঢ়ায়।

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ